Special Lecture Programme on
**Education and Life: The Role of Students**
**&**
**Student Seminar**
**Organiser : Asomiya Sahitya Chora, Department of Assamese, Jhanji Hemnath Sarma College, Sivasagar**
**Date : 11th June, 2022, Venue: Seminar Hall**

Jhanji Hemnath Sarma College
Estd.-1964
Date·
Sivasagar, Assam

## Report of the event

A special lecture & one day Student Seminar was organised by Department of Assamese, Jhanji Hemnath Sarma College on 11th June 2022 on the occasion of student seminar of the Department. Himen Bhattacharya, Renowned Writer, Educationist was invited as Resource Person of the special talk. Bhattacharya said on his lecture that 'Formal education can only provide one of the four parts of the education we need for life. Life cannot be enriched by studying textbooks alone and the prescribed curriculum of schools and colleges'. The theme of the talk was "Education and Life: The Role of Students". In this regard he again said: "Students must take various inspirational things as their companion for the pace of life. They must learn to be like lightning birds. Therefore, it is important to understand that the light of the sun finds its way in the darkness with the light of its body. In the same way, we must learn to light ourselves the nation is alive." The event was attended by 67students of the college. The Programme was chaired by Navanita Bora, Head of Assamese Department. The 14th-15th issue of the annual magazine 'Ankur' published by the Assamese department of the college was launched by Bhawani Kumar Barua. This issue of "Ankur" is edited by Rituraj Mahanta, a student of the Department. It is worth mentioning that the department has been continuously publishing this magazine with editing by students. The program was attended by Vice-President Kundil Kumar Mudai and Bidyadhar Baruah, Coordinator of Internal Quality Assurance Cell, as guests of honour. The second part of the program was a student seminar where the students of the Assamese department read out papers on fourteen different topics.





Principal
Jhanji Hemnath Sarma College

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত বিশেষ বক্তৃতানুষ্ঠানত হিমেন ভট্টাচাৰ্য

## ছাত্ৰ-ছাত্ৰীয়ে নতুন কথা জানিবলৈ উৎসুক হৈ থাকিব লাগিব

[illegible]



কুমাৰ বৰুৱাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে আদৰণী ভাষণ আগবঢ়ায়। অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা নৱনীতা বৰাই সঞ্চালনা কৰা বক্তৃতানুষ্ঠানটিৰ আঁত ধৰে ছাত্ৰী মঞ্জিতা দত্তই আৰু উদ্দেশ্য ব্যাখ্যা কৰে সহকাৰী অধ্যাপক জীৱমণি নাথে। আজিৰ কাৰ্যসূচীৰ অংশ হিচাপে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ দ্বাৰা প্ৰকাশিত 'অংকুৰ' নামৰ বছৰেকীয়া আলোচনীখনৰ চতুৰ্দশ-পঞ্চদশ সংখ্যাটো উন্মোচন কৰে ভৱানী কুমাৰ বৰুৱাই। এই সংখ্যাৰ 'অংকুৰ' সম্পাদনা কৰিছে বিভাগৰ ছাত্ৰ ৰিতুৰাজ মহন্তই। সহকাৰী অধ্যাপক ড° মণ্টু কুমাৰ বড়াই মুল বক্তাৰ পৰিচয় জ্ঞাপন আৰু সহকাৰী অধ্যাপক ড° প্ৰমোদ চন্দ্ৰ দাসে শৰাই আগবঢ়োৱা অনুষ্ঠানত অতিথিৰূপে উপাধ্যক্ষ কুণ্ডিল কুমাৰ মুদৈ আৰু অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বিদ্যাধৰ বৰুৱাই অংশগ্ৰহণ কৰে।

Jhanji Hemnath Sarma College
Estd.-1964
Date:
Sivasagar, Assam

---

### আঞ্চলিক

জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ত বিশেষ বক্তৃতানুষ্ঠান

# 'বিদ্যালয়-মহাবিদ্যালয়ৰ শিক্ষাই জীৱনৰ এটা অংশহে পূৰ কৰিব পাৰে'

জাঁজী ঃ নিজা প্ৰতিবেদক, ১১ জুন ঃ 'জীৱনৰ বাবে আমাক প্ৰয়োজনীয় শিক্ষাৰ চাৰি অংশৰ এক অংশহে আনুষ্ঠানিক অৰ্থাৎ বিদ্যালয়- মহাবিদ্যালয়ৰ শিক্ষাই পূৰ কৰিব পাৰে। কেৱল পাঠ্যপুথি আৰু স্কুল- কলেজৰ কেৱল নিৰ্ধাৰিত পাঠ্যক্ৰম অধ্যয়নে জীৱন সমৃদ্ধ কৰিব নোৱাৰি। ছাত্ৰ-ছাত্ৰীয়ে নিজৰ মনৰ দুৱাৰ খুলি ৰাখিব লাগিব আৰু সকলো সময়তে নতুন কথা জানিবলৈ উৎসুক হৈ থাকিব লাগিব।'— জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ সাহিত্য চ'ৰাৰ উদ্যোগত আয়োজিত বিশেষ বক্তৃতানুষ্ঠান আৰু ছাত্ৰ-ছাত্ৰীৰ আলোচনা চক্ৰৰ মূল বক্তাৰূপে ভাষণ প্ৰদান কৰি বিশিষ্ট শিক্ষাবিদ, লেখক হিমেন ভট্টাচাৰ্যই এনেদৰে কয়। 'শিক্ষা আৰু জীৱন ঃ ছাত্ৰ-ছাত্ৰীৰ ভূমিকা' শীৰ্ষক মূল বক্তৃতা প্ৰসংগত অৱসৰপ্ৰাপ্ত কৃতী শিক্ষকগৰাকীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে জীৱনৰ গতি প্ৰবাহৰ বাবে বিভিন্ন অনুপ্ৰেৰণামূলক কথাবোৰ সাৰথি কৰি ল'ব লাগিব। জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত ভাৰপ্ৰাপ্ত অধ্যক্ষ তথা পৰিচালনা সমিতিৰ সভাপতি ভৱানী কুমাৰ বৰুৱাই বন্তি প্ৰজ্বলন কৰা অনুষ্ঠানটোত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° মানজিৎ গগৈয়ে আদৰণী ভাষণ আগবঢ়ায়। অসমীয়া বিভাগৰ মুৰব্বী তথা সহযোগী অধ্যাপিকা নৱনীতা বৰাই সঞ্চালনা কৰা বক্তৃতানুষ্ঠানটোৰ আঁত ধৰে ছাত্ৰী মঞ্জিতা দত্তই আৰু উদ্দেশ্য ব্যাখ্যা কৰে সহকাৰী অধ্যাপক জীৱমণি নাথে। আজিৰ কাৰ্যসূচীৰ অংশ হিচাপে মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ পৰা প্ৰকাশিত 'অংকুৰ' নামৰ বছৰেকীয়া আলোচনীখনৰ চতুৰ্দশ-পঞ্চদশ সংখ্যাটো ভৱানী কুমাৰ বৰুৱাই উন্মোচন কৰে। এই সংখ্যাৰ 'অংকুৰ' সম্পাদনা কৰিছে বিভাগৰ ছাত্ৰ ৰিতুৰাজ মহন্তই। উল্লেখযোগ্য যে ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সম্পাদনাৰে বিভাগে এই আলোচনী প্ৰকাশৰ ধাৰাবাহিকতা ৰক্ষা কৰি আহিছে। সহকাৰী অধ্যাপক ড° মণ্টু কুমাৰ বড়াই মূল বক্তাৰ পৰিচয় জ্ঞাপন আৰু সহকাৰী অধ্যাপক ড° প্ৰমোদ চন্দ্ৰ দাসে শৰাই আগবঢ়োৱা অনুষ্ঠানটোত অতিথিৰূপে উপাধ্যক্ষ কুণ্ডিল কুমাৰ মুদৈ আৰু অভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক বিদ্যাধৰ বৰুৱাই অংশগ্ৰহণ কৰে। অনুষ্ঠানৰ দ্বিতীয় পৰ্বত অনুষ্ঠিত ছাত্ৰ-ছাত্ৰীৰ আলোচনা চক্ৰত অসমীয়া বিভাগৰ ছাত্ৰ-ছাত্ৰীৰ দলে চৈধ্যখন ভিন্ন বিষয়ৰ আলোচনা পত্ৰ পাঠ কৰে।

## বৰ্ণমালা প্ৰকাশনৰ গ্ৰন্থ উন্মোচনী সভা

যোৰহাট ঃ ১১ জুন ঃ যোৰহাটৰ অগ্ৰণী গ্ৰন্থ প্ৰকাশক 'বৰ্ণমালা' প্ৰকাশনৰ গ্ৰন্থ উন্মোচনী সভাত বিশিষ্ট সাহিত্যিক, ওধাছবি প্ৰযোজক





সজাগতা শিবিৰ

Principal
Jhanji Hemnath Sarma College